# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। বিটিআৰত আইন অনুসৰি শীঘ্রে ভূমিপট্টা প্রদানৰ ব্যৱস্থা কৰা হ'ব বুলি বিটিচিৰ মুখ্য কার্যবাহী সদস্য হাগ্রামা মহিলাৰীৰ ঘোষণা।
২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত।
৩। এ ডি আৰ ইৰ চতুৰ্থ বৰ্গৰ পদসমূহৰ আজি ফলাফল ঘোষণা।
৪। ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ্ প্ৰতিযোগিতাত অসমৰ এটা সোণসহ চাৰিটা পদক অৰ্জন। **আৰু**
৫। বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টনত ভাৰতীয় খেলুৱৈৰ চমকপ্ৰদ প্ৰদৰ্শন।

০০০০০০

বি টি আৰত আইন অনুসৰি ভূমি পট্টা লাভ কৰিবলগীয়া লোকসকলক শীঘ্ৰেই ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। বি টি চি পৰিষদীয় চৰকাৰ গঠনৰ পাছতে কালি কোকৰাঝাৰৰ বি টি চি সচিবালয়ত প্ৰথমখন কাৰ্যবাহী পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ পাছত শ্ৰী মহিলাৰীয়ে সাংবাদিকৰ আগত এই বিষয়ে উল্লেখ কৰি কয়, যে ভূমি পট্টা বিতৰণৰ কামত প্ৰয়োজন হ'লে অৱসৰপ্ৰাপ্ত কাননগ' আৰু মণ্ডলসকলক নিয়োগ কৰা হ'ব। তদুপৰি ওদালগুৰিত অস্থায়ীভাৱে বি টি চিৰ ক্ষুদ্ৰ সচিবালয় স্থাপন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

**ৰাইট**

উল্লেখযোগ্য যে বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে কালি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদে শপত গ্ৰহণ কৰে। কোকৰাঝাৰৰ বড়োফা নগৰত বি টি চি বিধায়িনী সভাৰ সভাকক্ষত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৱে নৱ-নিৰ্বাচিত কাৰ্যবাহী সদস্যসকলক গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বি টি চিৰ বিধায়িনী সভাৰ অধ্যক্ষ ত্ৰিদীপ দৈমাৰী, উপাধ্যক্ষ ৰিহণ দৈমাৰীৰ লগতে পাৰিষদ আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কাৰ্যবাহী সদস্য হিচাপে কালি মৃত্যুঞ্জয় নাৰ্জাৰী, মুনমুন ব্ৰহ্ম, ৰবিৰাম নাৰ্জাৰী, দেৰহাছাত বসুমতাৰী, প্ৰকাশ বসুমতাৰী, পানীৰাম ব্ৰহ্ম, বেগম আখতাৰা আহমেদ, ধীৰাজ বৰগয়াৰী, আগাষ্টাছ টিগ্গা, গণেশ কছাৰী, লামশ্ৰাও দৈমাৰী আৰু ফ্ৰেছ্ মুছাহাৰীয়ে পাৰিষদ হিচাপে শপত গ্ৰহণ কৰে। প্ৰথমবাৰৰ বাবে দুগৰাকী মহিলাই বি টি চিত পাৰিষদ হিচাপে শপত গ্ৰহণ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে কালি ৰাজ্যৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আটাইকেইগৰাকী ব্যক্তিয়ে কয়, যে এছ্ আই টিয়ে তেওঁলোকক তদন্ত প্ৰক্ৰিয়া অগ্ৰগতি সম্পৰ্কে অৱগত কৰে যদিও মৰণোত্তৰ পৰীক্ষা বা তেনে কোনোধৰণৰ গোপনীয় তথ্য তেওঁলোকক প্ৰদান কৰা নাই। ছিংগাপুৰতো সমান্তৰালভাৱে এই ঘটনাৰ তদন্ত চলি থকা বুলি এছ্ আই টিয়ে অৱগত কৰাৰ কথা তেওঁলোকে উল্লেখ কৰে।

উল্লেখযোগ্য যে ২০ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৬ গৰাকী ব্যক্তিয়ে বৈঠকত উপস্থিত হয়। বৈঠকত ডাঃ শুভ্ৰকিংকৰ গোস্বামী, সঞ্জীৱ ফুকন, অতনু ভূঞা, প্ৰাঞ্জল শইকীয়া, ডাঃ হিতেশ বৰুৱা আৰু শিৱাণু বৰা উপস্থিত আছিল। বৈঠকৰ অন্তত বিশিষ্ট চকুৰোগ বিশেষজ্ঞ ডাঃ শুভ্ৰকিংকৰ গোস্বামীয়ে এইদৰে কয়।

**বাইট (ডাঃ শুভ্ৰকিংকৰ গোস্বামী)**

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক আজি এছ্ আই টিয়ে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰাব। ১৪ দিনৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত তদন্তকাৰী গোটে দুয়োকে আদালতত হাজিৰ কৰাব। যোৱা ১ অক্টোবৰত দুয়োকে গ্ৰেপ্তাৰ কৰা হৈছিল। ইপিনে ঘটনা সন্দৰ্ভত আজি পুনৰ তিনিগৰাকী প্ৰবাসী অসমীয়া চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হোৱাৰ সম্ভাৱনা আছে।

ইপিনে তদন্ত প্ৰক্ৰিয়া সঠিকভাৱে আগবাঢ়িছে বুলি মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মাধ্যমক প্ৰকাশ কৰিছে।

**বাইট (পীযূষ হাজৰিকা)**

oooooo

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল আজি ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি কয়, যে আজি দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে আজিৰেপৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। নৱেম্বৰত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

oooooo

ৰাজ্য চৰকাৰে যোৱা এপ্ৰিলত অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক কাইলৈ সম্বৰ্ধনা জনোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। কাইলৈ দিনৰ ১১ বজাত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও সাংসদ আৰু বিধায়ক উপস্থিত থাকিব। উল্লেখযোগ্য যে চৰকাৰে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যোৱা ছেপ্তেম্বৰত মাননি প্ৰদানৰ বাবে চিন্তা-চৰ্চা কৰিছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। সেয়ে কাইলৈ এইসকল যুৱক-যুৱতীক গুৱাহাটীত সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়ত কালি ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰশিক্ষক আৰু নৃত্যশিল্পীসকলৰ মাজত চেক বিতৰণ সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। কাইলৈ গুৱাহাটীত হ'বলগীয়া অনুষ্ঠানত অংশ ল'বলৈ শিল্পীসকল যোৱা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। নাহৰকটীয়া সম জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে এই বৈঠকত অংশ লয়।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যোৱানিশা বুঢ়াপাহাৰ সংমণ্ডলৰ নদী পহৰাদাৰী দলৰ সৈতে হোৱা গুলীয়াগুলিত এজন চোৰাং চিকাৰী নিহত হয়। বন বিভাগে গোপন সূত্ৰৰ পৰা উদ্যানখনত চোৰাং চিকাৰী প্ৰৱেশৰ তথ্য লাভ কৰি উদ্যানখনৰ সকলো প্ৰস্থান পথ বন্ধ কৰি দিয়ে আৰু অভিযান আৰম্ভ কৰে। ইয়াৰ পাছতে বন বিভাগৰ দলে সশস্ত্ৰ চোৰাং চিকাৰীৰ গতি-বিধি লক্ষ্য কৰি তেওঁলোকক অস্ত্ৰ পৰিহাৰ কৰিবলৈ আহ্বান জনায় যদিও চোৰাং চিকাৰীৰ

দলটোৰে গুলীচালনা কৰে। প্ৰত্যুত্তৰত বনকৰ্মীয়ে কৰা গুলীচালনাত এজন অচিনাক্ত চোৰাং চিকাৰী নিহত হয়। বনকৰ্মীসকলে ঘটনাস্থলীৰ পৰা এটা 303 ৰাইফল আৰু এটা হেণ্ডবেগ উদ্ধাৰ কৰিছে।

০০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা মেগা স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত কালি বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়া জিলাত শিবিৰ মুকলি কৰা হয়। বিশ্বনাথ জিলাৰ কমাৰ্চ কলেজত, কাছাৰ জিলাৰ উদাৰবন্দ বিধানসভা সমষ্টিৰ বাবে, জগন্নাথ সিং কলেজত নগাঁও বটদ্ৰৱা সমষ্টিৰ বাবে, নেহৰুবালি খেলপথাৰত আৰু তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিৰ বাবে শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হয়। এই শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ ৫০ টা ৰোগ চিনাক্তকৰণৰ বাবে স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে প্ৰয়োজনসাপেক্ষে ৰোগীক চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়।

ৰাজ্যজুৰি অনুষ্ঠিত **শুশ্ৰূষা সেঁতু** শীৰ্ষক এই শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৭টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে কালি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হয়। শিবিৰত দুহেজাৰ ৩৩৬ গৰাকী শিশু আৰু কিশোৰ কিশোৰীয়ে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা লাভ কৰে। ইয়াৰে ১৫৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে কাইলৈ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত আজি এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত কালি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হয়।

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এনে স্বাস্থ্য শিবিৰৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। এই শিবিৰত কেইবাটাও বিভাগৰ বিশেষজ্ঞ চিকিৎসকে বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়াব। বিধায়ক তৰংগ গগৈয়ে কালি শিবিৰৰ প্ৰস্তুতি পৰিদৰ্শন কৰি সমষ্টিবাসীক এই শিবিৰ সফল কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০

ভূবনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত ৪০ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাত অসমে এটা সোণসহ মুঠ ৪টা পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। কালি সামৰণি পৰা প্ৰতিযোগিতাখনত জুবিন গোহাঁইয়ে সোণ, ফিৰডোছ আলমে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে প্ৰিয়ানুজ বৰুৱা আৰু মৃদুল হুছেইনে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। জুবিনে কালি ১৮ বছৰ অনূৰ্ধৰ হাইজাম্পত সোণৰ পদকটো লাভ কৰে। ইপিনে মৃদুলে ১৬ বছৰ অনূৰ্ধৰ লং জাম্পত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০০

রাজ্য চৰকাৰৰ ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা তৈয়বুল্লা ষ্টেডিয়ামত অনুষ্ঠিত আন্তঃজিলা স্কুল হকী প্রতিযোগিতাৰ ল'ৰাৰ শাখাত নগাঁও আৰু ছোৱালীৰ শাখাত ডিব্রুগড় জিলাই খিতাপ অৰ্জন কৰে। কালি অনুষ্ঠিত ল'ৰাৰ শাখাৰ ফাইনেলত নগাঁও জিলাক প্রতিনিধিত্ব কৰা মিছা হাইস্কুলে বঙাইগাঁৱৰ টেঙাইগাঁও হাইস্কুলক ৪-০ গ'লত পৰাস্ত কৰে। ইপিনে ছোৱালী শাখাৰ ফাইনেলত ডিব্রুগড়ৰ নাহকটীয়া হাইস্কুলে দৰং জিলাৰ দলগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৮-০ গ'লত পৰাস্ত কৰে।

০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ ফাষ্ট ট্রেক আদালতত চলোৱাৰ লগতে ৰাজ্য চৰকাৰৰ পৰা এজন শক্তিশালী অধিবক্তা নিয়োগ কৰাৰ বাবে এছ্ আই টিয়ে আবেদন কৰিব। লগতে ৯০ দিনৰ ভিতৰত অভিযোগনামা আদালতত দাখিল কৰা হব বুলি এছ্ আই টিৰ মুৰব্বী তথা অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্রধান মুন্না প্রসাদ গুপ্তাই বিশিষ্ট ব্যক্তিৰ সৈতে এছ্ আই টিৰ বৈঠকত প্রকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে এই বাতৰি প্রকাশ কৰিছে। একেটা বাতৰিৰে **অসমীয়া খবৰ** কাকতৰ শিৰোনাম- ছয় বিশিষ্ট ব্যক্তিৰে এছ্ আই টিৰ বৈঠক।

ছিংগাপুৰত জুবিন গাৰ্গৰ বাবে য়ট পাৰ্টীৰ আয়োজন কৰা প্রবাসী অসমীয়া তন্ময় ফুকন আৰু অসম এছছিয়েছনৰ সভাপতি অভিমন্যু তালুকদাৰ এছ্ আই টিৰ জেৰাৰ সন্মুখীন হোৱাৰ বাতৰি দি **আছাম ট্রিবিউন আৰু দৈনিক অসম** কাকতে প্রথম পৃষ্ঠাত স্থান দিছে।

মৰিগাওঁ জিলা দিৱসৰ সৈতে সংগতি ৰাখি কালি মন্ত্রী পিযুষ হাজৰিকাই চৰণবিলৰ পাৰত নিৰ্মাণ হবলগীয়া কণ্ঠশিল্পী জুবিন গাৰ্গৰ ২৫ ফুট উচ্চতাৰ ব্রঞ্জৰ পূৰ্ণাংগ প্রতিমূৰ্তিৰ স্থানত ভূমি পূজন কৰে। **আমাৰ অসম** কাকতে আলোকচিত্রসহ এই বাতৰি প্রকাশ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত সদৌ অসম ছাত্র সন্থাৰ আহ্বানত কালি ৰাজ্যজুৰি অৱস্থান বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি **দ্য ছেণ্টিনেল** কাকতে প্রকাশ কৰিছে।

কেন্দ্রীয় বিদ্যুত কৰ্তৃপক্ষই প্রকাশ কৰা প্রতিবেদন অনুসৰি উত্তৰ-পূবৰ ব্রহ্মপুত্র অৱবাহিকাৰ ১২ টা উপ অৱবাহিকাত ২০৮ টা বৃহত জলবিদ্যুত প্রকল্প স্থাপন কৰা হব। **অসমীয়া প্রতিদিন** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে। একেটা বাতৰিকে **ব্রহ্মপুত্র অৱবাহিকাত ৬৫ হাজাৰ মেগাৱাট জলবিদ্যুত উতপাদনৰ লক্ষ্য** শিৰোনামেৰে **দৈনিক অগ্রদূত** কাকতে প্রকাশ কৰিছে।

শিক্ষা মন্ত্রালয়ৰ তথ্য অনুসৰি দেশৰ ১ লাখৰো অধিক স্কুল এজনীয়া শিক্ষকেৰে চলাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্রথম পৃষ্ঠাত স্থান দিছে।

**দ্য টাইমছ অব ইণ্ডিয়া** কাকতে ৰাজস্থানৰ জেইছেলমেৰত এখন বাছ্ত সংঘটিত অগ্নিকাণ্ডত ২০ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ বাতৰি প্রকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ৩৩ ডিগ্রী চেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্রী চেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্রই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্রিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্রই আগলি বতৰা দিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং ধেমেচি চিলচিলি কলালো কোচ গাঁৱৰ সমাজকৰ্মী তপন দত্তৰ কালি নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত সৰবৰহী লোকজনৰ বয়স হৈছিল ৫২ বছৰ। দত্তৰ মৃত্যুত ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিষয়ববীয়াই গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত